জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১২২/২০২২**

# এছিয়ান গেমছত অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰা অসমৰ সু-সন্তান অল্লান বৰগোহাঁইৰ উন্নত প্ৰশিক্ষণৰ সুবিধাৰ্থে মুখ্যমন্ত্ৰীয়ে আগবঢ়াইছে ৫ লাখ টকাৰ ধনৰাশি

**দিছপুৰ, ২৬ এপ্ৰিল ঃ** আগন্তুক এছিয়ান গেমছত অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰি দেশক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰা অসমৰ সু-সন্তান অল্লান বৰগোহাঁইৰ উন্নত প্ৰশিক্ষণৰ সুবিধাৰ্থে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি খেলুৱৈগৰাকীলৈ ৫ লাখ টকাৰ ধনৰাশি আগবঢ়াইছে।

উল্লেখ্য যে কেৰালাত অলপতে অনুষ্ঠিত হৈ যোৱা ৰাষ্ট্ৰীয় ফেডাৰেচন কাপ ছিনিয়ৰ এথলেটিকছ প্ৰতিযোগিতাত পুৰুষৰ ২০০ মিটাৰ দৌৰত ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি অল্লান বৰগোহাঁয়ে এছিয়ান গেমছত অংশগ্ৰহণৰ যোগ্যতা অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে যোৱা ২২ এপ্ৰিলত মুখ্যমন্ত্ৰী ড° শৰ্মাক তেখেতৰ কাৰ্যালয়কক্ষত সাক্ষাৎ কৰি উন্নত প্ৰশিক্ষণ গ্ৰহণৰ সুবিধাৰ্থে অৰ্থসাহায্য প্ৰদানৰ আবেদন জনাইছিল। ইয়াৰ পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰীয়ে আজি খেলুৱৈগৰাকীলৈ এই ধনৰাশি আগবঢ়ায়।

মুখ্যমন্ত্ৰীয়ে আজি এক শুভেচ্ছা-বাৰ্তাযোগে অল্লান বৰগোহাঁইৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি কয় যে একান্ত নিষ্ঠাৰে অনুশীলনত ব্ৰতী হৈ উদীয়মান খেলুৱৈগৰাকীয়ে বিশ্বৰ ক্ৰীড়া ক্ষেত্ৰত সফলতা অৰ্জন কৰি দেশৰ লগতে ৰাজ্যবাসীক গৌৰৱান্বিত কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ আশাবাদী।

**নিঃকুঃদাঃ**
**২৬-০৪-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in